# Regional News Unit
# All India Radio, Guwahati

0000000000

Date : 02-08-2024

Time : 1715 Hrs

## *Assamese Evening Bulletin*

0000000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বজালিৰ মৰীপুৰত পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মিত নিত্যানন্দ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পথটো উদ্বোধন কৰে। তেওঁ লগতে বৰবাং গাঁও পঞ্চায়তৰ গোঁসাইপাৰাত মহাত্মা গান্ধী এনৰেগাৰ অধীনত নিৰ্মিত পথটোৰ উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে নিত্যানন্দ খণ্ড প্ৰাথমিক চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু ৰোগীসকলৰ লগত মত-বিনিময় কৰে আৰু তেওঁলোকৰ পৰা চিকিৎসালয়খনৰ স্বাস্থ্যসেৱা ব্যৱস্থাৰ লগতে বিভিন্ন অভাৱ-অভিযোগৰ বুজ লয়।

0000000

ৰাজ্যৰ পৰিবহন, তথ্যপ্ৰযুক্তি, বিজ্ঞান-প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি কেন্দ্ৰীয় গুৰু উদ্যোগ মন্ত্ৰী এইছ ডি কুমাৰাস্বামীক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মন্ত্ৰী শ্ৰীমহন্তই শিলচৰত পৰিবহন বিভাগে ব্যৱহাৰ কৰি থকা কেন্দ্ৰীয় মন্ত্ৰালয়টোৰ দ্বাৰা স্থাপিত নেশ্যনেল ইনষ্টিটিউট ফৰ অটোমেটিভ ইন্সপেকচন, মেইণ্টেনেণ্টছ এণ্ড ট্ৰেইনিঙক পূৰ্ণ ৰূপত কাৰ্যক্ষম কৰি অটোমেটেড টেষ্টিং চেণ্টাৰলৈ উন্নীতকৰণৰ অনুৰোধ জনায়। তদুপৰি শিলচৰৰ ধূলছেড়াৰ নেশ্যনেল হিল এৰিয়া ড্ৰাইভিং ট্ৰেইনিং চেণ্টাৰটো পুনৰুজ্জীৱিত কৰিবলৈ আনুৰোধ জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই অনুৰোধৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই বিষয়টো মন্ত্ৰালয়ে বিবেচনা কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰে। এই সাক্ষাৎ কালত ৰাজ্যৰ পৰিবহন বিভাগৰ সচিব আদিল খান আৰু পৰিবহন আয়ুক্ত মেঘনিধি দাহালো উপস্থিত আছিল।

ইফালে মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ স্থল পৰিবহন আৰু জল পৰিবহন খণ্ডৰ উন্নয়নৰ দিশত কেন্দ্ৰীয় চৰকাৰৰ বিশেষ পৃষ্ঠপোষকতা বিচাৰি কালি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰী আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ, পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে।

0000000

ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি নগাঁও জিলাৰ কলিয়াবৰৰ হাতীমূৰাৰ নিৰ্মীয়মান শ্লুইচ গেট সংলগ্ন মথাউৰিৰ চিগা অংশ আৰু কলংমুখৰ অস্থায়ী সুৰক্ষা বান্ধটো পৰিদৰ্শন কৰে। তেওঁ পৰিস্থিতি অধ্যয়ন কৰি এই বান্ধটো অধিক মজবুত কৰি সুৰক্ষিত কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত লোকসকলক উচিত ক্ষতিপূৰণ ১৫ আগষ্টৰ পূৰ্বে আদায় দিয়া হ'ব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা ২ জুলাইত এই শ্লুইচ গেটৰ বান্ধ ভাঙি কলংমুখেৰে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী সোমাই আহি কলিয়াবৰ ৰাজহ চক্ৰৰ ৫৮খনকৈ ৰাজহ গাঁও প্লাৱিত কৰিছিল।

0000000

ৰাজ্যত কালিৰে পৰা অমৃত বৃক্ষ আন্দোলন ২.০ অনুষ্ঠিত হৈছে। এই অভিযানৰ অংশ হিচাপে আজি জাগীৰোডত জলসম্পদ মন্ত্ৰী পিয়ুষ হাজৰিকাই গছপুলি ৰোপণ কৰে। জাগীৰোডৰ লোক নিৰ্মাণ বিভাগৰ অতিথিশালা চৌহদত গছপুলি

ৰোপণ কৰি সকলোকে নিজৰ মাতৃৰ নামত গছপুলি ৰোপণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। আনফালে কাইলৈৰ দিনটো জাগীৰোডৰ লগতে সমগ্ৰ অসমৰ বাবে ঐতিহাসিক দিন হ'ব বুলি উল্লেখ কৰি শ্ৰীহাজৰিকাই কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ টাটাৰ প্ৰস্তাৱিত চেমি কনডাক্টৰ প্ৰকল্পৰ ভূমি পূজন কৰিব। প্ৰায় ৩০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পত ৩০ হাজাৰতকৈ অধিক যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব বুলিও মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰকাশ কৰে।

০০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বিভিন্ন সেৱাৰ মাচুল বৃদ্ধি সন্দৰ্ভত অধীক্ষক ডাঃ অভিজিৎ শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিভিন্ন সেৱাৰ মাচুল সামান্য বাঢ়িছে বুলি উল্লেখ কৰি আজি সংবাদ মাধ্যমৰ আগত ডাঃ শৰ্মাই কয় যে, ২০০২ চনতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মাচুল বৃদ্ধি কৰা হৈছিল। যোৱা ছমাহ ধৰি সমগ্ৰ বিষয়টো এখন সমিতিয়ে পৰ্যালোচনা কৰাৰ লগতে বজাৰৰ দৰ পৰীক্ষা কৰি যুক্তিসংগতভাৱে বিভিন্ন সেৱাৰ মাচুল বৃদ্ধি কৰিছে বুলি অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে ৮৫ শতাংশ লোকৰ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ কাৰ্ড আছে। ইয়াৰ বাহিৰৰ যিসকল লোকে মাচুলৰ খৰচ বহন কৰিব নোৱাৰে তেওঁলোকে কৰ্তৃপক্ষক ক'লেই মাচুল বিনামূলীয়া কৰি দিব বুলিও ডাঃ অভিজিৎ শৰ্মাই জানিবলৈ দিয়ে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পি আই বি গুৱাহাটীৰ সহযোগত কাইলৈ নিশা ৮ বাজি ২ মিনিটত শ্ৰোতাৰ বাবে অলিম্পিক কুইজৰ আয়োজন কৰিছে। অনুষ্ঠানত ক্ৰীড়া সাংবাদিক সুযীম ঘোষ আৰু ত্ৰিদীপ বপৰনচ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। কাইলৈ পেৰিছ অলিম্পিক সন্দৰ্ভত হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত শ্ৰোতাক প্ৰশ্ন সোধা হ'ব। দৃষ্টিপাত অনুষ্ঠানৰ যোগেদিয়ে কুইজ প্ৰতিযোগিতাৰ বাবে শ্ৰোতাসকলে উত্তৰ দিব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০

সমাপ্ত